# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI
0000000000

**Date : 22-02-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**::::::::::::::::::::::::::::::::**

বিনিয়োগ সন্মিলন এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণৰ আৰম্ভণিতে টাটা ইলেকট্ৰনিকছ্‌ৰ ছেমিকনডাক্টৰ, জেৰিকোৰ খাদ্য  আৰু পানীয়কে ধৰি কেইবাটাও উদ্যোগ ৰাজ্যখনলৈ আহিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

কামৰূপ জিলাৰ চাংসাৰীত পানীয় উৎপাদনকাৰী প্ৰতিষ্ঠান কেম্পা এণ্ড বেভাৰেজেছ্‌ৰ সহযোগত বটলিং প্ৰকল্পৰ উদ্বোধন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে কেইদিনমান পূৰ্বে ইনফোচিচে অসমৰ এটা কেন্দ্ৰ আৰু ৰুৰেল প্ৰডাক্ট নামৰ উদ্যোগটোৱে বিপিঅ' স্থাপন কৰিছে। বিগত কেইটামান দিনত ঔদ্যোগিক আৰু বৃহৎ প্ৰতিষ্ঠানসমূহ আহিবলৈ আৰম্ভ কৰিছে বুলি ড০ শৰ্মাই জানিবলৈ দিয়ে। তেওঁ কয়, যে ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হবলগীয়া এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণৰ জৰিয়তে এক লাখ কোটিতকৈও অধিক টকাৰ বিনিয়োগ ৰাজ্যলৈ অহাটো নিশ্চিত আৰু এই দিশত কাম কৰি থকা হৈছে। তেওঁ লগতে কয়, যে এই সন্মিলনত ৰিলায়েন্স গ্ৰুপৰ অধ্যক্ষ মুকেশ আম্বানী, টাটা চন্সৰ অধ্যক্ষকে ধৰি দেশৰ বৃহৎ ঔদ্যোগিক প্ৰতিষ্ঠানৰ মুখ্য ব্যক্তিসকল ৰাজ্যখনলৈ এটা মুকলি মন লৈ আহি প্ৰথমবাৰৰ বাবে ব্যক্তিগত বিনিয়োগ ঘোষণা কৰিব পাৰে। অসমত উদ্যোগ স্থাপনৰ বাবে এটা অনুকুল পৰিবেশ গঢ়ি তুলিব পাৰিলে ব্যক্তিগত কোম্পানীসমূহৰ ৰাজ্যলৈ অহাৰ যাত্ৰা আৰম্ভ হ'ব আৰু এই যাত্ৰাই ৰাজ্যখনক অৰ্থনৈতিকভাবে বহু ওপৰলৈ লৈ যাব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

চাংসাৰীত ৰিলায়েন্স কনজিউমাৰ প্ৰডাক্টছ লিমিটেডে ২৫০ কোটি টকা ব্যয় সাপেক্ষে স্থাপন কৰা বটলিং প্ৰকল্পৰ জৰিয়তে অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ অন্য ৰাজ্যকেইখনত ঔদ্যোগিক আৰু অৰ্থনৈতিক বিকাশত সহায় হ'ব বুলি মুখ্যমন্ত্ৰীয় মন্তব্য কৰে। তেওঁ কয়, যে এই প্ৰকল্পৰ জৰিয়তে প্ৰত্যক্ষভাৱে কমেও ৩০০টা নিয়োগ সৃষ্টিৰ হোৱাৰ উপৰি সহস্ৰাধিক পৰোক্ষ নিযুক্তিৰ সুবিধা হ'ব। এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলনৰ প্ৰাক মুহূৰ্তত এনেধৰণৰ প্ৰকল্প মুকলিয়ে আশাৰ সঞ্চাৰ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

০০০০

অসমৰ চাহ শিল্পৰ ২০০ বছৰীয়া চহকী ঐতিহ্য উদযাপনৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে আয়োজন কৰা **ঝুমইৰ বিনন্দিনী** অনুষ্ঠানৰ  সৰুসজাইত চলি থকা আখৰা আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই পৰিদৰ্শন কৰে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠানত অংশ লোৱা প্ৰতিগৰাকী শিল্পীক ২৫ হাজাৰ টকাকৈ দিয়া হব বুলি ঘোষণা কৰে। তদুপৰি চাহ বাগিছাৰ ভিতৰত সাংস্কৃতিক কাৰ্যকলাপ প্ৰচাৰৰ বাবে ক্লাৱ স্থাপন কৰিবলৈ প্ৰতিখন চাহ বাগিছালৈ ২৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে।

ৰাজ্যৰ ৯ হাজাৰৰো অধিক শিল্পীয়ে ভাগ লোৱা এই অনুষ্ঠান পৰহিলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীও উপভোগ কৰিব। অনুষ্ঠানত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্‌ জয়শংকৰো উপস্থিত থাকিব। মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে অসমৰ চাহ জনগোষ্ঠী সম্প্ৰদায়ক বিশেষ গুৰুত্ব প্ৰদান কৰিছে বুলি উল্লেখ কৰিছে। কৃষিমন্ত্ৰী অতুল বৰা আৰু বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা মন্ত্ৰী কেশৱ মহন্তই সৰুসজাইত আজি চলি থকা ঝুমুৰ নৃত্য পৰিবেশনৰ আখৰাত উপস্থিত হৈ অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লোৱাৰ লগতে নৃত্যশিল্পীসকলক উৎসাহ দিয়ে।

০০০০

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যই শিক্ষাক যিকোনো সমাজৰ মেৰুদণ্ড বুলি অভিহিত কৰিছে। ৰাজভৱনৰ উদ্যোগত আৰু উচ্চ শিক্ষা বিভাগৰ সহযোগত আজি গুৱাহাটীৰ অসম প্ৰশাসনিয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত এখন সন্মিলনত অংশগ্ৰহণ কৰি ৰাজ্যপালগৰাকীয়ে এইদৰে কয়। তেওঁ কয় যে বিশেষকৈ উচ্চ শিক্ষাই কোনো এখন দেশৰ আধ্যাত্মিক, বৈজ্ঞানিক আৰু সামাজিক প্ৰগতিৰ ভেটি হিচাপে কাম কৰে। প্ৰাচীন বৈদিক শিক্ষাৰ পৰা বৰ্তমানৰ পৰ্যায়লৈ অসমৰ উত্তৰণত আলোকপাত কৰি ৰাজ্যপালগৰাকীয়ে শিক্ষাৰ কেন্দ্ৰ হিচাপে অসমৰ সম্ভাৱনাৰ বিষয়ে উল্লেখ কৰে। তেওঁ লগতে উচ্চ শিক্ষা খণ্ডত নিৰন্তৰ উদ্ভাৱনৰ বিষয়ে উল্লেখ কৰি শিক্ষা জগতৰ সৈতে জড়িত ব্যক্তিসকলক আধুনিক শিকন পদ্ধতি, ডিজিটেল মঞ্চ আৰু সাম্প্ৰতিক সময়ৰ প্ৰত্যাহ্বানসমূহ দূৰ কৰাৰ বাবে গৱেষণাভিত্তিক সমাধান আকোৱালি ল'বলৈ আহ্বান জনায়। সন্মিলনত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকে।

০০০০

গুৱাহাটীৰ চাৰু কলা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, বিশিষ্ট চিত্ৰ শিল্পী কন্দৰ্প নাথ শৰ্মাক ২০২৫ বৰ্ষৰ গুৰুজী আদ্য শৰ্মা স্মাৰক বঁটা প্ৰদান কৰা হৈছে। নলবাৰী আৰ্ট স্কুলত আজি বিয়লি আয়োজিত এটা অনুষ্ঠানত গোৰেশ্বৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, বিশিষ্ট শিল্পী অজিত তালুকদাৰে শিল্পীগৰাকীক এই বঁটা প্ৰদান কৰে। এই বঁটাত এটা স্মাৰক, নগদ দহ হেজাৰ টকা, জাপি, শৰাই আৰু অংগবস্ত্ৰ আছে। বঁটা প্ৰদান অনুষ্ঠানত সমাজকৰ্মী নৰ্থ ইষ্ট কেঞ্চাৰ হস্পিতালৰ অধ্যক্ষ গণেশ তামুলী অতিথি হিচাপে উপস্থিত থাকে।

০০০০

মঙ্গলদৈ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি অৰ্থাৎ এন এছ্‌ এছ্‌ৰ উদ্যোগত প্ৰথম বৰ্ষৰ স্বেচ্ছাসেৱক সকলক এন এছ্‌ এছ্‌ সম্পৰ্কে সম্যক জ্ঞান দিয়াৰ বাবে আজি এখন সভা অনুষ্ঠিত হয়। অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° কমলাকান্ত বৰাই এন এছ্‌ এছ্‌ৰ বিষয়ে অৱগত কৰাৰ লগতে মঙলদৈৰ সমীপৰ কুইয়াপানী নামৰ গাওঁখনৰ দায়িত্ব গ্ৰহণ কৰি এন এছ্‌ এছে ইয়াৰ উন্নয়নৰ প্ৰচেষ্টা চলাইছে বুলি মন্তব্য কৰে। অধ্যক্ষগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নৰ লগতে পিতৃ-মাতৃ আৰু সমাজৰ বাবে চিন্তা চৰ্চা কৰিবলৈও আহ্বান জনায়।

০০০০

ইংলেণ্ডে পাকিস্তানৰ গাড্ডাফী ষ্টেডিয়ামত অনুষ্ঠিত আই চি চি চেম্পিয়নছ্‌ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত অষ্ট্ৰেলিয়াক জয়ৰ বাবে ৩৫২ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ

কৰি ইংলেণ্ডে নিৰ্ধাৰিত ৫০ অভাৰত ৮ উইকেটৰ বিনিময়ত ৩৫১ ৰাণ সংগ্ৰহ কৰে। ইংলেণ্ডৰ হৈ বেন ডাকেটে সৰ্বাধিক ১৬৫ ৰাণ সংগ্ৰহ কৰে।

প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই এই বাতৰি যুগুতোৱাৰ পৰলৈ ৩৪ অভাৰত ৪ টা উইকেটৰ বিনিময়ত ২২৬ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

০০০০

ঃঃ সমাপ্ত ঃঃ